জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৬৩/২০২২**

<u>ৰাজ্যিক পৰ্যায়ত ৰাষ্ট্ৰীয় পোষণ মাহ, ২০২২ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# সু-স্বাস্থ্যৰ বাবে ছাত্ৰাৱস্থাৰে পৰা যোগাভ্যাস কৰাৰ মানসিকতা গঢ়িব লাগিব ঃ মুখ্যমন্ত্ৰী

<u>পোষণ ৰথ, পোষণ পঞ্চায়ত, পোষণ বাতিকাৰ ফ্লেগ অ'ফ কৰে মুখ্যমন্ত্ৰীয়ে</u>

## জনঅংশীদাৰিত্বক জনআন্দোলনলৈ ৰূপান্তৰৰ বাবে সকলোৰে প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ ছেপ্টেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ পোষণ অভিযানৰ অধীনত অনুষ্ঠিত 'ৰাষ্ট্ৰীয় পোষণ মাহ ২০২২'ৰ আজি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অপৰিপুষ্টিৰ পৰা মুক্ত এখন দেশ গঢ়ি তোলাৰ লক্ষ্যক বাস্তৱায়িত কৰি অসম চৰকাৰে ৰাজ্যখনত অপৰিপুষ্টিহীনতা আৰু ৰক্তহীনতা আঁতৰ কৰাৰ বাবে কৰ্মসূচী ৰূপায়ণ কৰি আহিছে। তেওঁ লগতে কয় যে এই সমগ্ৰ অভিযান নিৰীক্ষণ কৰাৰ বাবে ৰাজ্যিক প্ৰকল্প ব্যৱস্থাপনা গোট এটি গঠন কৰা হৈছে। এই গোটে সমন্বিত শিশু উন্নয়ন আঁচনি অৰ্থাৎ আই চি ডি এছৰ ছয়টা সেৱা প্ৰদানৰ বিষয়টোত নিৰন্তন নিৰীক্ষণ কৰি আহিছে। গৰ্ভৱতী মহিলা আৰু কিশোৰীৰ ৰক্তহীনতা, কম ওজন, শিশুৰ অপুষ্টিহীনতা আঁতৰ কৰাৰ দিশত এই ছয়টা সেৱাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অংগনৱাড়ী কেন্দ্ৰ পৰ্যায়ত আই চি ডি এছ সেৱা সমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে সমগ্ৰ অসমতে এটা মোবাইল এপ্লিকেশ্যন 'পোষণ ট্ৰেকাৰ' ৰূপায়ণ কৰা হৈছে। এই পৰ্যন্ত অংগনৱাড়ী কৰ্মীৰ মাজত ৬১,৬৯০টা মোবাইল বিতৰণ কৰা হৈছে। আৰু একে সময়তে তেওঁলোকক প্ৰশিক্ষণ দিয়া হৈছে। এই এপৰ জৰিয়তে কেইবাটাও আই চি ডি এছ সেৱা নিৰীক্ষণ কৰা হৈছে। আজিলৈকে ৪২,৮৩,৫২৯ গৰাকী হিতাধিকাৰীক এই এপ'ত পঞ্জীয়ন কৰা হৈছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে এখন সম্পূৰ্ণ সুস্থ সবল সমাজ নিৰ্মাণৰ ইপ্সিত লক্ষ্য উপনীত হ'বলৈ পুষ্টিহীনতাৰ পৰা পৰিপুষ্টিলৈ এক সফল পৰিক্ৰমা গঢ়ি তোলাৰ বাবে জন অংশীদাৰিত্বক এক জন আন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে সকলোৰে প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব। তেওঁ লগতে কয় যে এই বছৰ ৰাষ্ট্ৰীয় পোষণ মাহত সমগ্ৰ ৰাজ্যতে পোষণ পঞ্চায়ত অনুষ্ঠিত কৰি গৰ্ভাৱস্থা আৰু শিশুক দুগ্ধ পান কৰাই থকাৰ

সময়ছোৱাত মহিলাসকলৰ বাবে প্ৰয়োজনীয় বিভিন্ন পুষ্টিকৰ খাদ্য, ৰক্তহীনতা ৰোধ, ঋতুস্ৰাৱৰ সময়ছোৱাত পৰিস্কাৰ-পৰিচ্ছন্নতাৰ প্ৰয়োজনীয়তা আদি সন্দৰ্ভত সজাগতা সৃষ্টিৰ অভিযান চলোৱা হ'ব। তেওঁ লগতে কয় যে কিশোৰী পঞ্চায়তৰ জৰিয়তে ঋতুস্ৰাৱৰ সময়ত ল'বলগীয়া সাৱধানতা, ৰক্তহীনতা আদিৰ বিষয়েও অৱগত কৰোৱা হ'ব। পোষণ বাতিকা নামৰ এক কাৰ্যসূচীৰ দ্বাৰা অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয় চৌহদ আদি ঔষধি গুণসম্পন্ন গছপুলি ৰোপণ, যোগাভ্যাসৰ জৰিয়তে স্বাস্থ্য ৰক্ষা সম্পৰ্কে সজাগতা সৃষ্টি, ৰাজ্যৰ চাহ বাগিচাসমূহত কিশোৰীসকলৰ বাবে ৰক্তহীনতা দূৰীকৰণ শিবিৰ অনুষ্ঠিতকৰণ আদিকে ধৰি এই সময়ছোৱাত বিভিন্ন কাৰ্যসূচী হাতত লোৱা হ'ব।

গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃসকলক লক্ষ্য কৰি আমাৰ ৰাজ্যৰ খাদ্য বৈচিত্ৰতা ৰন্ধন প্ৰতিযোগিতাৰ জৰিয়তে অধিক গতিশীল কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনজাতীয় খাদ্যভাস, স্থানীয়ভাৱে উপলব্ধ পুষ্টিকৰ খাদ্য, স্থানীয়ভাৱে উপলব্ধ ফল-মূল আৰু শাক-পাচলিৰ সৈতে আইৰণ সমৃদ্ধ খাদ্য সামগ্ৰী প্ৰস্তুতৰ ওপৰত এই প্ৰতিযোগিতাৰ মাধ্যমেৰে অধিক জনমুখী কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে নতুন প্ৰজন্মক ছাত্ৰৱস্থাৰে পৰা যোগাভ্যাস কৰাৰ মানসিকতা গঢ়িব লাগে। ইয়াৰ বাবে পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীসকলক বিদ্যাৰ্থীসকলক উৎসাহিত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে মাতৃ-অমৃত (পঞ্চামৃত) শীৰ্ষক অনুষ্ঠানত ভাগ লৈ কেইগৰাকীমান গৰ্ভৱতী মহিলাক পুষ্টিকৰ আহাৰ যোগান ধৰে। আজিৰ এই অনুষ্ঠানত ১০ গৰাকী কণ-কণ শিশুকো মুখ্যমন্ত্ৰী ড° শৰ্মাই পুষ্টিকৰ আহাৰৰ টোপোলা উপহাৰ দিয়ে। অনুষ্ঠানৰ শেষত পোষণ ৰথ, পোষণ পঞ্চায়ত, পোষণ বাতিকা নামৰ তিনিখন বাহনৰ ফ্লেগ অ'ফ কৰে মুখ্যমন্ত্ৰীয়ে।

অনুষ্ঠানত অসম চৰকাৰৰ বিত্ত তথা মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী অজন্তা নেওগে ৰাজ্যখনৰ শিশু, কিশোৰ-কিশোৰী, গৰ্ভৱতী মাতৃ আৰু প্ৰসূতি মাতৃৰ স্বাস্থ্যৰ উন্নয়ন সাধন কৰাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে আলোকপাত কৰে। অনুষ্ঠানত বিধান সভাৰ মহিলা আৰু শিশুকল্যাণ সমিতিৰ অধ্যক্ষ তথা বিধায়িকা সুমণ হৰিপ্ৰিয়া, মহিলা আৰু শিশু বিকাশ বিভাগৰ প্ৰধান সচিব মুকেশ সাহু, সমগ্ৰ শিক্ষা অভিযানৰ মিছন সঞ্চালক ড° ওম প্ৰকাশ, এ এছ আৰ এল এমৰ মিছন সঞ্চালক কৃষ্ণা বৰুৱা প্ৰমুখ্যে সমাজ কল্যাণ বিভাগৰ বিষয়া-কৰ্মচাৰী, অংগনৱাড়ী কৰ্মী-সহায়িকা আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**হেংশঃ**
**১/০৯/২০২২**